অসম চৰকাৰ

বিদ্যালয় শিক্ষা বিভাগ

শৈক্ষিক দিনপঞ্জী

শিক্ষাবৰ্ষ

২০২৪-২৫

(ক শ্ৰেণীৰপৰা ৮ম শ্ৰেণীলৈ)

প্ৰস্তুতকৰ্তা

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী- ৭৮১০১৯

শৈক্ষিক দিনপঞ্জী ২০২৪-২৫

দিনপঞ্জীৰ উল্লেখনীয় দিশসমূহ

- ❑ দৈনন্দিন নিৰ্ধাৰিত সময়ত প্ৰাৰ্থনাসভাৰে বিদ্যালয়ৰ কাৰ্যসূচী আনুষ্ঠানিকভাৱে আৰম্ভ কৰিব। **প্ৰাৰ্থনাসভাত প্ৰতিদিনে ৰাষ্ট্ৰীয় সংগীত আৰু ছুটীৰ সময়ত অসমৰ জাতীয় সংগীত গোৱাৰ ব্যৱস্থা কৰিব।**
- ❑ প্ৰাথমিক স্তৰৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে সক্ষ কালৰ পৰাই সু-স্বাস্থ্য আৰু সু-অভ্যাসে গঢ়ি তুলিব পাৰে তাৰ বাবে প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে তলত দিয়া দিশসমূহত চকু দিব-
  - অনাময় ব্যৱস্থা
  - খোৱাপানী আৰু খাদ্য গ্ৰহণ
  - পৰিষ্কাৰ-পৰিচ্ছন্নতা

বিদ্যালয়ৰ সময়সূচী ঃ

প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ শিশুৰ বাবে নিৰ্ধাৰিত ৫ ঘণ্টা সময় তলত দিয়া ধৰণে ভাগ কৰি ল'ব-

প্ৰাৰ্থনাসভা (প্ৰয়োজন অনুসৰি এই সময় বৃদ্ধি কৰিব পাৰে) - ১৫ মিনিট
বাৰ্তালাপ/বুজকাৰ সময় - ৩০ মিনিট
মিত্ৰক্ষেত্ৰিক পদ্য/গীত/সংগীত/গতি - ৪৫ মিনিট
ধাৰণাৰ সময়/প্ৰাক্-সাংখ্যিক জ্ঞান - ৬০ মিনিট
কলা/ভাস্কৰ্য্য/মুক্তখেল/কোণৰ সময় - ৩০ মিনিট
মধ্যাহ্ন ভোজন বিৰতি - ৩৫ মিনিট
উন্নীয়মান সাক্ষৰতা/কহিনীৰ সময় - ৪০ মিনিট
বহিঃখেল - ৩০ মিনিট
সমাপন - ১৫ মিনিট

অন্য শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে ৬ ঘণ্টা ২৫ মিনিট (১ বজালপৰা ৩.২৫ বজালৈ) বিদ্যালয়ত থাকিব লাগিব। এই সময়খিনি তলত দিয়া ধৰণে বিতৰণ কৰি লব।

প্ৰাৰ্থনাসভা	- ১৫ মিনিট
শৈক্ষিক আদান-প্ৰদান	- ৫ ঘণ্টা ২৫ মিনিট
প্ৰথম বিৰতি	- ১০ মিনিট
মধ্যাহ্ন ভোজন বিৰতি	- ৩৫ মিনিট

- ❑ ২০২৪-২৫ শিক্ষাবৰ্ষৰ মুঠ কৰ্মদিন ঃ ২৪৪ মুঠ শ্ৰেণী দিন ঃ ১৯১
- ❑ জিলা কৰ্তৃপক্ষৰ ঘোষণা অনুযায়ী স্থানীয় বন্ধৰ দিন পালন কৰিব।
- ❑ কোনো বিশিষ্ট ব্যক্তিৰ বিয়োগ হ'লে সেইদিনা শ্ৰেণী শেষ হোৱাৰ পিছত শোক সভা অনুষ্ঠিত কৰিব। কোনো কাৰণতে যাতে জিলা কৰ্তৃপক্ষৰ অনুমতি অবিহনে বিদ্যালয় বন্ধ বা অৰ্ধছুটী ঘোষণা কৰা নহয় তাৰ প্ৰতি দৃষ্টি ৰাখিব।
- ❑ চৰকাৰৰ নিৰ্দেশ অনুযায়ী সময়ে সময়ে শৈক্ষিক দিনপঞ্জীৰ সালসলনি ঘটিব পাৰে, এই সালসলনিসমূহ যথা সময়ত জনোৱা হ'ব।
- ❑ চাহবাগান অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধা অনুযায়ী নিম্ন প্ৰাথমিকৰ বাবে ৰাতিপুৱা ৭.৩০ৰ পৰা ১২.১৫ বজালৈ আৰু উচ্চ প্ৰাথমিকৰ বাবে ৰাতিপুৱা ৭.৩০ৰ পৰা ১.০০ বজালৈ সময় নিৰ্ধাৰণ কৰা হৈছে।
- ❑ মুঠ শ্ৰেণীদিন একে ৰাখি কৰ্তৃপক্ষৰ পূৰ্ব অনুমতি সাপেক্ষে বৰাক উপত্যকাত পূজাৰ বন্ধ ১০ দিনলৈ বঢ়াই গৰমৰ বন্ধত সমান সংখ্যক দিন কমাই ল'ব পাৰিব।
- ❑ বানপানীৰ ফলত বা অন্যান্য কাৰণত শ্ৰেণীসন ব্যাহত হ'লে বন্ধ দিন, ৰবিবাৰ বা পৰৱৰ্তী কাৰ্য দিনত পাঠদান কৰি এই ক্ষতি পূৰ কৰিব।
- ❑ মন্থৰ সময় শিক্ষক সভা, কেন্দ্ৰ সভা আৰু উচ্চ প্ৰাথমিক পৰ্যায়ৰ মাতৃমিক সভা প্ৰতি মাহত সুবিধা অনুসৰি বিকেলো এটা শনিবাৰে নিয়মীয়া পাঠদান ব্যাহত নোহোৱাকৈ অনুষ্ঠিত কৰিব।
- ❑ বিশেষকৈ সক্ষম শিশুৰ পাঠ আদান-প্ৰদানৰ ক্ষেত্ৰত শিক্ষকে প্ৰয়োজন অনুসৰি পাঠক্ৰমত সন্নিবিষ্ট ক্ৰিয়াকলাপ সালসলনি কৰি তেওঁলোকৰ সহায়ক হোৱাকৈ নমনীয় ব্যৱস্থা ল'ব।
- ❑ শিক্ষকসকলে শিশুৰ পিতৃ-মাতৃ আৰু অভিভাৱকৰ লগত প্ৰতিমাহত অতি কমেও এবাৰ সাক্ষাৎৰ ব্যৱস্থা কৰি তেওঁলোকক শিশুসকলৰ উপস্থিতি, শিখন দক্ষতা, শিখন ফলাফল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিগত আৰু সামাজিক গুণৱলিৰ বিকাশ সম্পৰ্কত অৱগত কৰিব।
- ❑ বুনিয়াদী পৰ্যায়ৰ শ্ৰেণীসমূহত পাঠদান কৰোতে নিৰ্দেশনাত্মক আৰ্হি নিয়া ধৰণে " নিপুণ অসম"ৰ আৰ্হি প্ৰদান কৰা শ্ৰেণীৰ কাৰ্যপত্ৰ ব্যৱহাৰ কৰিব।
- ❑ পাঠযোৱত থকা বিষয়বস্তুৰ গাঁথনিতাৰ ওপৰত ভিত্তি কৰিহে প্ৰতিটো মাহৰ বাবে পাঠযোৱ ভাগোৱা হৈছে। সেয়েহে কিছুমান মাহত বেছি পাঠ দিয়া হৈছে। যদিও লেখাত পাঠৰ সংখ্যা বেছি তথাপি আশা কৰা হৈছে যে শিক্ষকে সময়মতে পাঠদান সম্পূৰ্ণ কৰিব পাৰিব।
- ❑ শৈক্ষিক দিনপঞ্জীখনত উল্লেখ কৰা মাহভিত্তিক পাঠ সিতৰণসমূহ শিক্ষকৰ বাবে আৰ্হিমূলকভাৱে আগবঢ়োৱা হৈছে। সেয়েহে প্ৰয়োজন অনুসৰি আৰু স্থানভেদে শিক্ষকে পাঠদান কৰাৰ সময় কিছু সালসলনি কৰিব পাৰিব।
- ❑ শিক্ষকে প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ বাবে বিভিন্ন বিষয়ৰ লগত সংগতি ৰাখি মূল্যবোধ শিক্ষাৰ ক্ৰিয়াকলাপ কৰাব।

নিপুণ অসম

(বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা নিশ্চিতকৰণৰ বাবে এক ব্যাপক অভিযান)

ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ এ প্ৰাক্ বিদ্যালয় স্তৰলগাই শিশুৰে বুনিয়াদী সাক্ষৰতা (Foundational Literacy) আৰু বুনিয়াদী সাংখ্যিকতা (Foundational Numeracy) ৰ লক্ষ্যত আয়ত্তকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। এই শিক্ষানীতিৰ ওপৰত ভিত্তি কৰিয়েই ৩-৮ বছৰৰ বয়সৰ শিশুবোৰৰ অৰ্থাৎ প্ৰাক্-প্ৰাথমিক স্তৰলগা দ্বিতীয় শ্ৰেণীলৈকে শিশুবোৰৰ বুনিয়াদী সাক্ষৰতা আৰু বুনিয়াদী সাংখ্যিকতাৰ শিখন ফলাফলসমূহ (Learning Outcome) ২০২৬-২৭ চনৰ ভিতৰত নিশ্চিতকৰণৰ বাবে ভাৰত চৰকাৰৰ শিক্ষা বিভাগে 'নিপুণ ভাৰত' (NIPUN-National Initiative for Proficiency in Reading with Understanding and Numeracy) নামেৰে এক মিছন ঘোষণা কৰিছে। অসম চৰকাৰৰ শিক্ষা বিভাগেও একে লক্ষ্য আগত ৰাখি এই মিছনক 'নিপুণ অসম' নামেৰে নামকৰণ কৰি ইতিমধ্যে ইয়াক সফলকপে ৰূপায়ণ কৰিবলৈ শৈক্ষিক আৰু প্ৰশাসনিক দিশৰ কাৰ্যসূচীও আৰম্ভ কৰিছে। 'নিপুণ অসম'ক সফল কৰিবলৈ সকলোৰে সহায় সহযোগিতা, দিহা-পৰামৰ্শ নিশ্চিত কৰিব লাগিব।

এই মিছন সফল কৰিবলৈ বিদ্যালয় তথা বিদ্যালয়ৰ শিক্ষকসকলে কৰিবলগীয়া মূল কামৰ দিশসমূহ হ'ল-

(১) প্ৰথম শ্ৰেণীত প্ৰৱেশ কৰা শিশুসকলৰ বাবে শৈক্ষিক বৰ্ষৰ আৰম্ভণিতে প্ৰথম তিনিমাহ 'বিদ্যাপ্ৰৱেশ' কাৰ্যসূচীখন প্ৰতিখন বিদ্যালয়ত কাৰ্যকৰী কৰা হ'ব।

(২) পাঠ্যপুথিৰ লগতে বিদ্যালয়সমূহলৈ সময়ে সময়ে যোগান ধৰা শিক্ষণ-শিখন সাঁজলিসমূহ সঠিকভাৱে প্ৰয়োগ কৰিব।

(৩) প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ শিখনৰ স্তৰ জনাৰ লগতে সেই অনুযায়ী উপযুক্ত পৰিপূৰক ব্যৱস্থা গ্ৰহণৰ উদ্দেশ্যে নিৰ্দেশনা অনুসৰি মান নিৰূপণ কৰিব।

(৪) বিদ্যালয়ৰ শ্ৰেণীকোঠাসমূহত শিখন ফলাফলসমূহ (Learning Outcome) ভালদৰে আঁৰি থ'ব।

(৫) সময়ে সময়ে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে ব্যৱস্থা কৰা বিভিন্ন প্ৰশিক্ষণত ভাগ ল'ব। উদাহৰণস্বৰূপে- এন চি ই আৰ টি (NCERT), এচ চি ই আৰ টি (SCERT) আৰু সমগ্ৰ শিক্ষা, অসম (SSA) ৰ সহযোগত আয়োজন কৰা নিষ্ঠা (NISHTHA) প্ৰশিক্ষণত সকলো শিক্ষকে ভাগ লোৱাটো নিশ্চিত কৰিব লাগিব।

(৬) **১ম শ্ৰেণীৰপৰা ২য় শ্ৰেণীলৈকে প্ৰতিদিনে ভাষাৰ বাবে ৯০ মিনিট অথবা সপ্তাহত ভাষাৰ বাবে ৪৫০ মিনিট আৰু আৰু গণিতৰ বাবে ৩০০ মিনিট পাঠদানৰ পৰিবৰ্তত ৰাখিব।** (শিক্ষকে দিনপঞ্জীত উল্লেখ কৰা দৈনিক সময় তালিকাৰ আৰ্হিত এই সময়খিনি নিজৰ সুবিধা অনুযায়ী মুতহাই ল'ব পাৰে।)

(৭) শ্ৰেণীকোঠাৰ পাঠদানসমূহ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে যোগান ধৰা নিৰ্দেশাত্মক আৰ্হি (Instructional Design)ত দিয়া ধৰণে একনিষ্ঠভাৱে কৰিব।

(৮) প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ মান নিৰূপণৰ তথ্যসমূহ সঠিকভাৱে ৰাখিব।

(৯) প্ৰয়োজনসাপেক্ষে শিখন ফলাফলসমূহ (Learning Outcome) নিশ্চিতকৰণৰ বাবে অতিৰিক্ত সহায় (Additional Support) ৰ ব্যৱস্থা কৰিব।

(১০) শ্ৰেণীকোঠাসমূহ ছপাসমৃদ্ধ (Print Rich) কৰি গঢ়ি তুলিব।

(১১) 'নিপুণ অসম' মিছনক সফলভাৱে ৰূপায়ণ কৰাৰ বাবে বিদ্যালয় পৰিচালনা সমিতি, পিতৃ-মাতৃ, অভিভাৱক, স্থানীয় ব্যক্তি, শিক্ষা বিভাগৰ লগত জড়িত সকলো বিষয়বৰীয়া, শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান আদিৰ সৈতে সু-সম্পৰ্ক গঢ়ি তুলিবলৈ যত্ন কৰিব।

বিদ্যাপ্ৰৱেশ

সকলো ছাত্ৰ-ছাত্ৰীকে বিদ্যালয়ৰ বাবে সাজু কৰি তোলাৰ উদ্দেশ্যে প্ৰথম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এটা তিনিমহীয়া খেল-ধেমালিভিত্তিক 'বিদ্যালয় প্ৰস্তুতি মডিয়ুল' তৈয়াৰ কৰা হৈছে। এই মডিয়ুলত বৰ্ণমালা, ধ্বনি, শব্দ, ৰং, আকৃতি আৰু সংখ্যাৰ বিষয়ে বুজাৰ পৰাকৈ বিভিন্ন ধৰণৰ ক্ৰিয়াকলাপ আৰু কৰ্মপুথি সন্নিবিষ্ট কৰা হৈছে। এই ক্ৰিয়াকলাপবোৰ সম্পন্ন কৰোঁতে সমনীয়া ল'ৰা-ছোৱালী আৰু পিতৃ-মাতৃৰ সহযোগিতাৰ প্ৰয়োজন হ'ব। ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ ৰ আধাৰত নতুন নিৰ্মাণিত ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদ (NCERT) ৰ দ্বাৰা প্ৰস্তুত কৰা এই মডিয়ুলখন ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (SCERT), অসমে অসমীয়াৰ লগতে আন ৭টা মাধ্যমলৈ অনুবাদ/অভিযোজন কৰিছে।

বিদ্যাপ্ৰৱেশ ভাৰত চৰকাৰৰ বিশেষ পদক্ষেপ NIPUN BHARAT (বুনিয়াদী সাক্ষৰতা আৰু সংখ্যাজ্ঞানৰ ৰাষ্ট্ৰীয় অভিযান) ৰ এটা অতি গুৰুত্বপূৰ্ণ অংশ। প্ৰাক্-প্ৰাথমিক শিক্ষালাভৰ সুযোগ পোৱা বা নোপোৱাকৈ প্ৰথম শ্ৰেণীত প্ৰৱেশ কৰা সকলো শিশুৰ সৰ্বাঙ্গীণ বিকাশ আৰু শিখনৰ প্ৰতি লক্ষ্য ৰাখি এই মডিয়ুল প্ৰস্তুত কৰা হৈছে। শিশুসকলক এক আনন্দময় বাতাৰৰণৰ মাজত নিৰ্ভয়ে বিদ্যালয় শিক্ষাত প্ৰৱেশ কৰোৱাত এই মডিয়ুলখন শিক্ষকসকলৰ বাবে নিশ্চিতকপে সহায়ক হ'ব। বিদ্যালয় প্ৰস্তুতিৰ এই কাৰ্যসূচীখন প্ৰথম শ্ৰেণীৰ তিনিমাহ দৈনিক চাৰি ঘণ্টাকৈ প্ৰয়োগ কৰিবৰ বাবে সাজি-পৰাই যুগুতোৱা হৈছে। ইয়াত খেল-ধেমালি আৰু কৰ্ম অভিজ্ঞতাভিত্তিক শিক্ষা পদ্ধতিৰ ওপৰত প্ৰাধান্য দিয়াৰ লগতে শিশুৰ বয়সোপযোগী ক্ৰিয়াকলাপ আৰু স্থানীয়ভাৱে উপলব্ধ ক্ৰীড়া সামগ্ৰী ব্যৱহাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে।

বহনক্ষম বিকাশৰ লক্ষ্য ৪.৭

ৰাষ্ট্ৰসংঘই ২০৩০ চনৰ ভিতৰত সমগ্ৰ বিশ্বৰ দেশসমূহৰ উন্নয়নৰ বাবে ১৭ টা বিশেষ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এইবোৰক 'বহনক্ষম বিকাশৰ লক্ষ্য' (Sustainable Development Goal) বুলি কোৱা হয়। ইয়াৰে চতুৰ্থ লক্ষ্যটো হ'ল সকলো শিশুৰ বাবে গুণসম্পন্ন শিক্ষা নিশ্চিত কৰা। এই গুণসম্পন্ন শিক্ষাৰ লক্ষ্যৰ ভিতৰত আকৌ ৪.৭ উপলক্ষ্যত উল্লেখ কৰা হৈছে যে ২০৩০ চনৰ ভিতৰত সকলো ছাত্ৰ-ছাত্ৰীয়ে 'বহনক্ষম বিকাশৰ লক্ষ্য' আগবঢ়াই নিবলৈ প্ৰয়োজন হোৱা জ্ঞান আৰু দক্ষতা আহৰণ কৰিব লাগিব। এই ক্ষেত্ৰত তলত দিয়া ছটা ভাগত এই উপলক্ষ্যৰ অন্তৰ্ভুক্ত বিষয়বস্তুসমূহ ভাগ কৰা হৈছে। পৰ্যায়ক্ৰমে এই আটাইবোৰ বিষয়বস্তুকে সামুৰি ল'বলৈ প্ৰচেষ্টা চলাব লাগিব। উল্লিখিত বিষয় কেইটা হ'ল-

বহনক্ষম বিকাশ - বহনক্ষম বিকাশ, পৰিবেশগত, পৰিবেশ শিক্ষা, পৰিবেশৰ বহনক্ষমতা, বতৰৰ পৰিবৰ্তন, পুনৰ ব্যৱহাৰযোগ্য শক্তিৰ উৎস, আবৰ্জনা ব্যৱস্থাপনা, অৰ্থনৈতিক বহনক্ষমতা, সামাজিক বহনক্ষমতা।

মানৱ অধিকাৰ - অধিকাৰ, গণতন্ত্ৰ, স্বাধীনতা, সামাজিক ন্যায়, মানৱ অধিকাৰৰ শিক্ষা।

শান্তি আৰু অহিংসা - অত্যাচাৰ-হাবশক্তি-হিংসামুক্ত পৰিবেশ, শান্তিৰ শিক্ষা, নীতি বা মূল্যবোধ শিক্ষা।

বিশ্ব নাগৰিকত্ব - গোলাৰীকৰণ, সাংস্কৃতিক বহুত্ববাদ, আন্তঃসাংস্কৃতিক বিনিময়, বিশ্ব নাগৰিকত্ব, প্ৰজন্মকালী, আন্তৰ্জাতিক প্ৰতিযোগিতা, বিশ্বস্তৰ আৰু স্থানীয় চিন্তাৰ সহযোগ, আন্তৰ্জাতিক স্তৰৰ অসমতা, ভিজিটৌন নাগৰিকত্ব, আন্তৰ্জাতিক স্তৰৰ সমসাময়িক সংঘাত সম্পৰ্কীয় বিষয়সমূহ।

লিঙ্গ - লিঙ্গসমতা, লিঙ্গভেদ অতিক্ৰম কৰি সম উন্নয়ন, লিঙ্গভেদৰ প্ৰতি সংবেদনশীলতা, লিঙ্গভেদৰ সমমৰ্যাদা, সবলীকৰণ।

বৈচিত্ৰতা - সাংস্কৃতিক বৈচিত্ৰ্য, জনগোষ্ঠী/জাতি, সামাজিক-অৰ্থনৈতিক কাৰকসমূহ, বিলাঞ্চীয়া জনগোষ্ঠী, ধৰ্ম আৰু বিশেষভাৱে সক্ষমসকলৰ সৈতে জড়িত বিষয়সমূহ।

ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ প্ৰাক্-শৈশৱকালীন শিশুৰ যতন আৰু শিক্ষাৰ লক্ষ্য

(ক) গুণগত প্ৰাক্-শৈশৱকালীন বিকাশ, যতন আৰু শিক্ষাৰ সাৰ্বজনীন সুযোগ প্ৰদান কৰা।

(খ) সকলো শিশুৰে তলৰ ক্ষেত্ৰসমূহত আকাংক্ষিত ফলাফল লাভ কৰা-

(১) শাৰীৰিক আৰু পেশী সঞ্চালনৰ বিকাশ
(২) বৌদ্ধিক বিকাশ
(৩) সামাজিক, আবেগিক আৰু নৈতিক বিকাশ
(৪) সাংস্কৃতিক/কলাত্মক বিকাশ
(৫) সাক্ষৰতা আৰু সাংখ্যিক ধাৰণা, প্ৰাথমিক ভাষা আৰু যোগাযোগৰ বিকাশ

(গ) ভাষা, সংখ্যা, ৰঙৰ ধাৰণা, আকাৰ, খেল-ধেমালি, যুক্তিসংগত বিচাৰ, সমস্যা সমাধান, অংকন আৰু পুতলা নাচ আদিৰ লগতে অতিৰিক্তভাৱে সামাজিক ক্ষমতা, সু-আচৰণ, পৰিষ্কাৰ-পৰিচ্ছন্নতা, সহযোগিতা আদিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা।

শিশুৰ শিকনৰ মান নিৰূপণ কৰোঁতে তলত দিয়া প্ৰক্ৰিয়াসমূহ অনুসৰণ কৰা উচিত-

- প্ৰতিজন শিশুৰে প'ৰ্টফলিয়' প্ৰস্তুত কৰিব। প্ৰতিজন শিশুৰ অগ্ৰগতিৰ পৰ্যায় জনা যাক খতিয়ান ৰখাত ই শিক্ষকক সহায় কৰিব।
- ভিন ভিন শিখন অভিজ্ঞতাত জড়িত হৈ থকা শিশুক পৰ্যবেক্ষণ কৰিব।
- শিখন প্ৰক্ৰিয়াত শিশুক পৰ্যবেক্ষণ কৰাৰ উদ্দেশ্য স্পষ্ট হোৱাটো নিশ্চিত কৰিব।
- শিশুসকলে সৰু সৰু দলত ক্ৰিয়াকলাপ কৰি থাকোঁতে প্ৰতিটো দলকে পৰ্যবেক্ষণ কৰাহো নিশ্চিত কৰিব।
- পৰ্যবেক্ষকে ভিত্তি কৰি কি ঘটিছে সেই ঘটনাৰ সত্য সিৰণী (anecdotes) লিখক। ধাৰণা বা অনুমানে যাতে পৰ্যবেক্ষকক প্ৰভাৱান্বিত কৰিব নোৱাৰে সেয়া নিশ্চিত কৰক আৰু অংকনৰ মান নিৰূপণ কৰাতকৈ বৰ্ণনাত কৰিব।
- প্ৰতিজন শিশুৰে অগ্ৰগতিৰ মান নিৰূপণ কৰোঁতে পূৰ্ব পৰ্যায়ত কিমান শিকিছে তাকো মান নিৰূপণ কৰিব।
- মান নিৰূপণ সম্পূৰ্ণ কৰাৰ পিছত প্ৰতিজন শিশুৰে তথ্যসমূহ একত্ৰিত কৰি সংগ্ৰহ কৰি ৰাখিব যাতে ভৱিষ্যতে শিশুসকলৰ সহায়ক হয় । শিখন অভিজ্ঞতাৰ পৰিকল্পনা কৰোঁতে, পিতৃ-মাতৃ বা অভিভাৱকৰ লগত আলোচনা কৰোঁতে আৰু কাৰ্যসূচীৰ প্ৰয়োজনত সাল-সলনি কৰোঁতে ই যাতে সহায়ক হয় তাৰ প্ৰতি লক্ষ্য ৰাখিব।

বুনিয়াদী (Foundational Stage), প্ৰস্তুতিমূলক (Preparatory Stage) আৰু মধ্যম (Middle Stage) স্তৰৰ পাঠ্যক্ৰমত সন্নিবিষ্ট বিষয়সমূহ

(ক) বুনিয়াদী স্তৰ (প্ৰথম আৰু দ্বিতীয় শ্ৰেণী) আৰু প্ৰস্তুতিমূলক স্তৰ (তৃতীয়ৰ পৰা পঞ্চম শ্ৰেণী)-

বিষয়

- ভাষা ১ ● মাতৃভাষা আৰু মাধ্যম ভাষা
- ভাষা ২ ● ইংৰাজী (ইংৰাজীৰ বাহিৰে আন মাধ্যমৰ বিদ্যালয়ৰ বাবে)
  ● সহযোগী ৰাজ্যিক ভাষাৰ বিকেলো এটা (ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ বাবে)
- গণিত
- পৰিবেশ অধ্যয়ন (প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত সমন্বিতভাৱে ভাষা আৰু আন বিষয়ৰ লগত সালসলাকৈ থাকিব)
- স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা
- কলাশিক্ষা

(খ) মধ্যম (ষষ্ঠ শ্ৰেণীৰপৰা অষ্টম শ্ৰেণী) পৰ্যায়-

বিষয়

- গণিত • বিজ্ঞান • সমাজ বিজ্ঞান • স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা • কলাশিক্ষা • কৰ্মশিক্ষা
- Information and Communication Technology • ভাষা

ভাষাৰ ক্ষেত্ৰত প্ৰযোজ্য নীতিসমূহ-

আৰ্হি (ক) (অসমীয়া মাধ্যমৰ বাবে)
ভাষা ১ ঃ অসমীয়া
ভাষা ২ ঃ ইংৰাজী
ভাষা (৩+৪)ঃ ভাষা ৩ ঃ হিন্দী (পঞ্চম: ১ম, ২য়, ৩য়) ৫০%
ভাষা ৪ ঃ বড়ো/বাংলা/গাৰো/ মণিপুৰী/নেপালী/ তিৱা/ টাই/ খাম্তি/সেউৰী/ মিচিং/ বিষ্ণুপ্ৰিয়া মণিপুৰী/সংস্কৃত আৰু আৰবী (৫০%)
অথবা
ভাষা ৩ ঃ হিন্দী (পঞ্চম: ১ম, ২য়, ৩য়) ১০০%

আৰ্হি (খ) ঃ (বাংলা মাধ্যমৰ বাবে)
ভাষা ১ ঃ বাংলা
ভাষা ২ ঃ ইংৰাজী
ভাষা (৩+৪)ঃ ভাষা ৩ ঃ অসমীয়া (সাহিত্য বৰ্জিত: ১ম, ২য়, ৩য়) ৫০%
ভাষা ৪ ঃ বড়ো/বাংলা/গাৰো/ মণিপুৰী/নেপালী/ তিৱা/ টাই/ খাম্তি/সেউৰী/ মিচিং/ বিষ্ণুপ্ৰিয়া মণিপুৰী/সংস্কৃত আৰু আৰবী (৫০%)
অথবা
ভাষা ৩ ঃ অসমীয়া (সাহিত্য বৰ্জিত: ১ম, ২য়, ৩য়) ১০০%

আৰ্হি (গ) ঃ (বড়ো মাধ্যমৰ বাবে)
ভাষা ১ ঃ বড়ো
ভাষা ২ ঃ ইংৰাজী
ভাষা (৩+৪)ঃ ভাষা ৩ ঃ অসমীয়া (সাহিত্য বৰ্জিত: ১ম, ২য়, ৩য়) ৫০%
ভাষা ৪ঃ বড়ো/বাংলা/গাৰো/ মণিপুৰী/নেপালী/ তিৱা/ টাই/ খাম্তি/সেউৰী/ মিচিং/ বিষ্ণুপ্ৰিয়া মণিপুৰী/সংস্কৃত আৰু আৰবী (৫০%)
অথবা
ভাষা ৩ঃ অসমীয়া (সাহিত্য বৰ্জিত: ১ম, ২য়, ৩য়) ১০০%

- ❑ অসমীয়া, ইংৰাজী আৰু হিন্দী মাধ্যমৰ উপৰিও অন্যান্য মাধ্যমৰ বিদ্যালয়সমূহতো একে ভাষা নীতি প্ৰযোজ্য হ'ব । **ইংৰাজী** মাধ্যমৰ বিদ্যালয়সমূহত ২য় ভাষা হিচাপে **অসমীয়া** প্ৰযোজ্য হ'ব । অনাহতে **অসমীয়া** আৰু **ইংৰাজী** মাধ্যমৰ বিদ্যালয়সমূহত ৩য় ভাষা হিচাপে **হিন্দী** প্ৰযোজ্য হ'ব আৰু হিন্দী মাধ্যমৰ বিদ্যালয়সমূহত ৩য় ভাষা হিচাপে **অসমীয়া** প্ৰযোজ্য হ'ব ।
- ❑ বিসকল ছাত্ৰ-ছাত্ৰীয়ে ৩ৰ্থ ভাষা বাছনি কৰে তেওঁলোকৰ বাবে ১ম (মাধ্যম ভাষা) অথবা ২য় ভাষা আৰু ৩য় ভাষা একে হ'ব নালাগিব ।

(ওপৰোক্ত ভাষা নীতি চৰকাৰী অধিসূচনা নং PMA.329/2012/194, তাং ১৮/১২/২০১৯ অনুসৰি সন্নিবিষ্ট কৰা হৈছে)

শিশুৰ গুণগত শিক্ষাৰ প্ৰসাৰৰ বাবে অসম চৰকাৰৰ শিক্ষা বিভাগে গ্ৰহণ কৰা পদক্ষেপসমূহ

গুণোৎসৱ ঃ-

বিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ গুণগত মান সম্পন্ন কপত গঢ় দিবলৈ ২০১৭ চনৰ পৰাই ৰাজ্যখনত গুণোৎসৱ অনুষ্ঠিত হৈ আহিছে। গুণোৎসৱত ছাত্ৰ-ছাত্ৰীৰ পাঠ্যক্ৰমিক বিষয়সমূহৰ শিখন ফলাফলত লক্ষ্যতা আহৰণ, তেওঁলোকৰ সামাজিক উন্নয়ন, বিদ্যালয়সমূহৰ আধ্যা গাঠনিক স্থিতি তথা সমাজ জড়িতকৰণ আদি দিশসমূহ মূল্যায়ন কৰা হয়। গুণোৎসৱৰ অধীনত সকলো চৰকাৰী, প্ৰাদেশীকৃত প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়, চাহ বাগিচাৰ আদৰ্শ বিদ্যালয়, আদৰ্শ বিদ্যালয়, কস্তুৰবা গান্ধী বালিকা বিদ্যালয়, নেতাজী সুভাষ চন্দ্ৰ বসু আদৰ্শ বিদ্যালয়ক (আবাসিক বিদ্যালয়) সামৰি লোৱা হয়। উপৰোক্ত দিশসমূহৰ মূল্যায়নৰ অন্তত বিদ্যালয়সমূহক A+, A, B, C, D গ্ৰেডত বিভক্ত কৰা হয় আৰু ফলাফল চাই কৰ্তৃপক্ষৰ দ্বাৰা দিশনমূলক ব্যৱস্থা লোৱা হয়। ছাত্ৰ ছাত্ৰীসকলৰ গুণগত মানৰ শিক্ষা প্ৰদানৰ ক্ষেত্ৰত গুণোৎসৱৰ গুৰুত্ব উপলব্ধি কৰিয়ে ৰাজ্য চৰকাৰে অদিসুনাৰ ভৱিষ্যতে ১০% নম্বৰ গুণোৎসৱৰ মূল্যায়নৰ পৰা ল'বলৈ আৰু প্ৰতি বছৰ জনুৱাৰী মাহত গুণোৎসৱৰ সময়সূচী শৈক্ষিক দিনপঞ্জীত অন্তৰ্ভুক্ত কৰিবলৈ নিৰ্দেশ দিছে।

ৰাজ্য চৰকাৰে গুণোৎসৱ আয়োজনৰ জৰিয়তে বিদ্যালয় পৰ্যায়ৰ শিক্ষাখণ্ডই দীৰ্ঘকালীনভাৱে সম্মুখীন হৈ অহা অভাৱ-অভিযোগসমূহ ক্ৰমান্বয়ে নাইকীয়া কৰিবলৈ প্ৰয়াস কৰি আহিছে।

গুণোৎসৱৰ মূল উদ্দেশ্য:-

- মূল্যায়নৰ আধাৰত প্ৰতিগৰাকী শিশুৰ মান নিৰূপণ কৰি শিখন ব্যৱধান চিনাক্ত কৰা ।
- প্ৰাথমিক পৰ্যায়ত প্ৰতিগৰাকী শিশুৰ শিখনৰ অগ্ৰগতি আৰু শিখনৰ সাফল্য লাভ সুনিশ্চিত কৰা।
- শিখন ফলাফল নিশ্চিতকৰণ, বিদ্যালয়ৰ পৰিকাঠামোৰ পৰ্যাপ্ততা আৰু ব্যৱহাৰ, সমাজৰ আশ্বাসন- এইকেইটা মূল দিশক কেন্দ্ৰ কৰি বিদ্যালয়ৰ সামগ্ৰিক গুণগত মান নিৰূপণ কৰা।
- ফলপ্ৰসূ কৌশলৰ অৱলম্বনত শিখন ব্যৱস্থাসমূহ ক্ৰমান্বয়ে নাইকিয়া কৰা।
- শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু সমাজৰ সক্ৰিয় অংশগ্ৰহণেৰে শিক্ষাৰ গুণগত মানৰ উন্নতি কৰা ।

ৰাষ্ট্ৰীয় পাৰ্কৰ্শিয়াৰ জৰীপ (National Achievement Survey)NAS:-

ৰাষ্ট্ৰীয় পাৰ্কৰ্শিয়াৰ জৰীপ (National Achievement Survey) চমুকৈ NAS হৈছে ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত কৰা এক বৃহৎ মূল্যায়ন। এই মূল্যায়নৰ জৰিয়তে তৃতীয়, পঞ্চম, অষ্টম আৰু দশম শ্ৰেণীত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক পাৰ্কৰ্শিয়াৰ তথ্য সংগ্ৰহ কৰা হয়। ৰাষ্ট্ৰীয় পাৰ্কৰ্শিয়াৰ জৰীপত ভাৰতবৰ্ষৰ ৰাজ্যসমূহৰ চৰকাৰী, চৰকাৰী সাহায্যপ্ৰাপ্ত, ব্যক্তিগত খণ্ডৰ বিদ্যালয় আৰু কেন্দ্ৰীয় চৰকাৰৰ বিদ্যালয়সমূহক সামৰি লোৱা হয়।

NAS-২০২১ ৰ আঁহতা-ভিত্তিক মূল্যায়ন সম্পৰ্কত গুৰুত্ব আৰোপ কৰা হৈ

অন্তৰ্ভুক্তিকৰণ শিক্ষা

অন্তৰ্ভুক্তিকৰণ শিক্ষা ব্যৱস্থা হৈছে বিদ্যালয়ৰ সকলো কাৰ্যসূচীত সকলো ছাত্ৰ-ছাত্ৰীৰ সমান অংশগ্ৰহণ।
সকলো বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ মাজত তলত উল্লেখ কৰা ধৰণৰ শিশু দেখা যায়-

- ☐ বিশেষভাৱে সক্ষম শিশু
- ☐ বিভিন্ন ভাষা-ভাষী তথা জাতি, জনজাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে শিশু
- ☐ প্ৰখৰ মেধাসম্পন্ন শিশুৰ লগতে কম মেধাসম্পন্ন শিশু
- ☐ লিংগ বৈষম্যতা ভেদে শিশু

অন্তৰ্ভুক্তিকৰণ শিক্ষাত বিভিন্ন ধৰণৰ শিশুসকলৰ বিকাশৰ প্ৰয়োজন অনুসৰি শিক্ষকে শ্ৰেণীকোঠাৰ সামগ্ৰিক বাতাবৰণ সালসলনি কৰি ল'ব পাৰে।
শ্ৰেণীকোঠাৰ সামগ্ৰিক পৰিসৰত সন্নিবিষ্ট বিভিন্ন দিশসমূহ হ'ল-

- ☐ শ্ৰেণীকোঠাৰ ব্যৱস্থাপনা
- ☐ পাঠ্যক্ৰম
- ☐ পাঠ্যপুথি
- ☐ শিক্ষণ-শিকন সামগ্ৰী
- ☐ শিক্ষণ পদ্ধতি
- ☐ মান নিৰূপণ
- ☐ শিক্ষকৰ ধনাত্মক মনোভাব আদি।

অবিৰত আৰু সামগ্ৰিক মূল্যায়ন

অবিৰত আৰু সামগ্ৰিক মূল্যায়ন ব্যৱস্থাই এনে এক উন্নত পৰিসৰ সামৰি লৈছে যিয়ে ছাত্ৰ- ছাত্ৰীৰ সামগ্ৰিক বিকাশৰ দিশটোক সঠিকভাৱে নিৰূপন কৰাত সহায় কৰে। পূৰ্ব সময় সাপেক্ষ মূল্যায়ন ব্যৱস্থাৰ বিপৰীতে (য'ত পুথিগত জ্ঞানক প্ৰাধান্য দিয়া হৈছিল) এই ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, শাৰীৰিক, আবেগিক, সামাজিক আৰু সৃষ্টিমূলক ক্ৰিয়াকলাপৰ বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। চিন্তাবিত মুখস্থ বিদ্যাত পোষকতা নকৰা অবিৰত আৰু সামগ্ৰিক মূল্যায়ন ব্যৱস্থাই শিকাৰুৰ চিন্তা আৰু বোধশক্তিৰ উন্মেষ ঘটাত সহায় কৰে।

মূল্যায়নৰ এই নতুন পৰিভাষাত অবিৰত মূল্যায়নৰ অৰ্থ হ'ল বিৰতিহীনভাৱে কৰা মূল্যায়ন য'ত শিকাৰুৰ পূৰ্ব শিকন স্থিতিৰ কিমান পৰিবৰ্তন হৈছে তাক নিৰ্ধাৰণ কৰাৰ লগতে শিকন ব্যৱধানৰ কাৰণসমূহো নথিভুক্ত কৰা হয়, বিশ্লেষণ কৰা হয় আৰু তাৰ প্ৰতিকাৰৰ উপায় নিৰ্ণয় কৰা হয়। এইধৰণৰ মূল্যায়নে ছাত্ৰ ছাত্ৰী, শিক্ষক তথা অভিভাৱক আটাইকে নিজৰ কৰ্তব্যৰ প্ৰতি সজাগ কৰি ৰাখে যাতে যথা সময়ত তেওঁলোক নিজৰ উদ্দেশ্যত সফলতা অৰ্জন কৰিব পাৰে।

শিক্ষকে মন কৰিবলগীয়া কথা (শিক্ষকৰ প্ৰতিফলন)

- ☐ ছাত্ৰ ছাত্ৰীসকলক বিভিন্ন ক্ৰিয়াকলাপত সম্পূৰ্ণভাৱে জড়িত কৰিব পাৰিছোঁনে?
- ☐ তেওঁলোকে উপযুক্তভাৱে শিকিব পাৰিছেনে?
- ☐ তেওঁলোকৰ বিভিন্ন প্ৰয়োজনবোধ বুজিব পাৰিছোঁনে?
- ☐ শ্ৰেণীত কোনোবা ছাত্ৰ-ছাত্ৰী বুজি নোপোৱাকৈ আছে নেকি? তেওঁলোকৰ মনোযোগ আকৰ্ষণ কৰি শিকন কাৰ্যত অধিক আগ্ৰহান্বিত কৰিবলৈ কি কি ব্যৱস্থা হাতত ল'ব পাৰো?

ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ (NEP 2020) ৰ কেইটামান উল্লেখনীয় পৰামৰ্শ

১) ৫+৩+৩+৪ গাঁথনি অনুসৰি বিদ্যালয়ৰ পাঠ্যক্ৰমিক স্তৰ -
ক) বুনিয়াদী (Foundational) স্তৰ - ৫ বছৰ : ৩ বছৰ (অংগনবাড়ী/প্ৰাক-বিদ্যালয়/বাল বাটিকা [৩-৬ বছৰ]) আৰু ২ বছৰ (প্ৰথম আৰু দ্বিতীয় শ্ৰেণী [৬-৮ বছৰ])
খ) প্ৰস্তুতিমূলক (Preparatory) স্তৰ - ৩ বছৰ (তৃতীয়, চতুৰ্থ আৰু পঞ্চম শ্ৰেণী [৮-১১ বছৰ])
গ) মধ্যম (Middle) স্তৰ - ৩ বছৰ (ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণী (১১-১৪ বছৰ)
ঘ) মাধ্যমিক (Secondary) স্তৰ- ৪ বছৰ (নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণী [১৪-১৮ বছৰ])

২) ২০৩০ চনৰ ভিতৰত গুণসম্পন্ন পূৰ্ব শৈশৱ, বিকাশ, যত্ন আৰু শিক্ষাৰ সৰ্বজনীন ব্যৱস্থা কৰা যাতে প্ৰথম শ্ৰেণীত নামভৰ্তি কৰা সকলো শিশুৱেই বিদ্যালয় শিক্ষাৰ বাবে সাজু হৈ উঠে ।

৩) বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ ওপৰত প্ৰাধান্য দি 'নিপুণ ভাৰত' মিছনৰ জৰিয়তে ২০২৯-২৭ চনৰ ভিতৰত তৃতীয় শ্ৰেণীলৈ প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ দক্ষতা নিশ্চিত কৰিব ।

৪) শিক্ষাৰ লক্ষ্য অকল বৌদ্ধিক বিকাশতেই সীমাবদ্ধ নাৰাখি ছাত্ৰ-ছাত্ৰীৰ সু-চৰিত্ৰ গঠন আৰু একবিংশ শতিকাৰ কৌশলসমূহেৰে তেওঁলোকক সমৃদ্ধ কৰি তোলাত গুৰুত্ব প্ৰদান কৰিব।

৫) অধ্যয়নৰ বেলিকা বিষয় নিৰ্বাচনৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ পছন্দ আৰু আগ্ৰহৰ প্ৰতি লক্ষ্য ৰাখি কলা, বিজ্ঞান, বৃত্তিমূলক তথা অন্যান্য শৈক্ষিক শাখাৰ মাজত কোনো ধৰণৰ কঠোৰ বিভাজন নাৰাখিব ।

৬) নিজৰ বৃত্তিগত প্ৰয়োজনত প্ৰতিগৰাকী শিক্ষকে বছৰি অন্ততঃ ৫০ ঘণ্টা সময় অবিৰত বৃত্তিগত বিকাশৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাটো গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিব।

৭) বিদ্যালয়ৰ সকলো স্তৰতে অভিজ্ঞতাভিত্তিক শিকন (Experiential Learning)ৰ ব্যৱস্থা গ্ৰহণ কৰিব । এইক্ষেত্ৰত উচ্চমানৰ শিক্ষণ-শিকন প্ৰক্ৰিয়া হিচাপে হাতে-কামে (hands-on learning) কৰি শিকা, কলা-সংহত (arts-integrated) শিক্ষণ, খেল-সংহত (sports-integrated) শিক্ষণ, সাধু কোৱা (story telling) আদি শিক্ষণ ব্যৱস্থাসমূহ অন্তৰ্ভুক্ত কৰিব।

৭) দেশৰ প্ৰতিগৰাকী শিশুৱে 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত' কাৰ্যসূচীৰ অধীনত ষষ্ঠ শ্ৰেণীৰপৰা অষ্টম শ্ৰেণীৰ ভিতৰত 'ভাৰতৰ ভাষা' নামৰ আনন্দদায়ক প্ৰকল্প/ক্ৰিয়াকলাপত অংশগ্ৰহণ কৰিব।

৮) বিদ্যালয়ত নামভৰ্তি কৰা শিশু আৰু কিশোৰ কিশোৰীক, বিশেষকৈ কন্যা শিশুৰ সুৰক্ষা আৰু অধিকাৰৰ ক্ষেত্ৰত বিশেষভাৱে মনোযোগ দিব । কিশোৰসকলে মুখামুখি হোৱা বিভিন্নধৰণৰ জটিল সমস্যা যেনে- নিচাসক্তি, বৈষম্য, শাৰীৰিক ও মানসিক নিৰ্যাতন আৰু হিংসাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে তেওঁলোকৰ অধিকাৰ বা সুৰক্ষাৰ বাবে এক নিৰা, দক্ষ আৰু নিৰাপদ পৰিবেশৰ সূচনা কৰিব ।

শিশুৰ শিকন নিশ্চিতকৰণৰ বাবে অসম চৰকাৰৰ শিক্ষা বিভাগে গ্ৰহণ কৰা ডিজিটেল পদক্ষেপসমূহ

☐ **সৰলীকৃত পাঠ্যপুথি (Energized Textbook):**

পাঠ্যপুথিসমূহত QR কোড সন্নিবিষ্ট কৰাৰ ব্যৱস্থা কৰা হৈছে। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে নিজৰ স্মাৰ্ট ফোনৰ সহায়ত এই QR কোড স্কেন কৰি ডিজিটেল সমলসমূহ ইণ্টাৰনেটত চেৰাৰ সুবিধা লাভ কৰিব।

- এই পৰ্যন্ত অসমৰ ১৫২ খন নিৰ্বাচিত পাঠ্যপুথিত QR কোড সন্নিবিষ্ট কৰি তাৰ লগত দীক্ষাত অন্তৰ্ভুক্ত কৰা ই-সমলসমূহ সংযুক্ত কৰা হৈছে ।

☐ **দীক্ষা (Digital Infrastructure for Knowledge Sharing):**

পিএম ই বিদ্যা (PM e-Vidya) নামৰ ডিজিটেল কাৰ্যসূচীৰ অধীনত অসম চৰকাৰে 'দীক্ষা, অসম' নামৰ এৰে পৰ্টেল এটা মুকলি কৰিছে। সমগ্ৰ অসমৰ শিক্ষক আৰু শিক্ষক প্ৰশিক্ষকসকলে প্ৰস্তুত কৰা প্ৰায় ৬০০০ ই-সমল এই পৰ্টেলত আপল'ড কৰা হৈছে। ছাত্ৰ-ছাত্ৰীৰ স্ব-মূল্যায়নৰ সমলো এই প'ৰ্টেলত আপল'ড কৰা হৈছে। স্বয়মপ্ৰভা চেনেলযোগে প্ৰচাৰিত ভিডিঅ' আৰু আকাশবাণীযোগে প্ৰচাৰিত অডিঅ' ক্লাছসমূহো দীক্ষা, অসম পৰ্টেলত আপল'ড কৰা হৈছে। শিক্ষক আৰু শিক্ষক প্ৰশিক্ষকসকলৰ সামৰ্থ বিকাশ (Capacity Building)ৰ বাবে অনলাইন প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে যাতে ই-সমলসমূহ সঠিকভাৱে প্ৰস্তুত কৰিব পাৰে।

- শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলে স্মাৰ্ট ফোনত DIKSHA APP ডাউনলোড কৰি তাত থকা scanner ৰ সহায়ত QR ক'ডসমূহ scan কৰি পাঠ্যপুথিত সন্নিবিষ্ট কৰা ই-সমল চাব পাৰিব।

অসমীয়া, ইংৰাজী, বড়ো, বাংলা, আৰু হিন্দী ভাষাৰ ই-সামগ্ৰী, সমাজ বিজ্ঞান, গণিত, ইতিহাস, বিজ্ঞান আৰু ভাষা (অসমীয়া, ইংৰাজী, বাংলা, বড়ো, হিন্দী), লগতে পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আদি বিষয় সামৰি ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আৰু জীববিজ্ঞান প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ বাবে DIKSHA পৰ্টেলত আপলোড কৰা হৈছে। বেছিভাগ ই-কণ্টেণ্ট ছপা পাঠ্যপুথিৰ QR ক'ডৰ সৈতে সংযুক্ত। ই-কণ্টেণ্টসমূহ বিভিন্ন ৰূপত সৃষ্টি কৰা হয় যেনে- অডিঅ', ভিডিঅ', এনিমেটেড ভিডিঅ', অনুশীলন প্ৰশ্নবোটি, জ্ঞান-বিনিময় বিষয়, পাঠ্য সামগ্ৰী সাংকেতিক ভাষাৰ ভিডিঅ', বৰ্ণনাত্মক অডিঅ'-কিতাপ আদি। DIKSHA পৰ্টেলত মূল্য শিক্ষাৰ ভিডিঅ', চাইবাৰ সুৰক্ষা আৰু নিৰাপত্তাৰ, চাইবাৰ ছাৰ্কাৰৰ ওপৰত তথ্য, সমলৰ কিতাপৰ অনুশীলন আৰু বহুভাষিক ছবৰ কিতাপকে ধৰি বিভিন্ন ধৰণৰ সমল অন্তৰ্ভুক্ত কৰা হৈছে।

☐ **স্বয়মপ্ৰভা(Swayamprabha):**

ভাৰত চৰকাৰৰ পিএম ই বিদ্যা (PM e-Vidya) 'এক শ্ৰেণী, এক চেনেল' কাৰ্যসূচীৰ আওতাত অসম চৰকাৰে ২০২০ চনৰ ২৪ মে'ৰপৰা স্বয়মপ্ৰভা ই টি ভি ৰ জৰিয়তে অসমীয়া মাধ্যমত প্ৰাথমিকৰপৰা উচ্চতৰ মাধ্যমিক স্তৰলৈ ভিডিঅ' পাঠদানৰ ব্যৱস্থা কৰিছে ।

☐ **জ্ঞানবৃক্ষঃ**

- ACC আৰু GTPL নামৰ দুটা কেবল চেনেলৰ যোগেদি প্ৰথম শ্ৰেণীৰপৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অভিজ্ঞ শিক্ষকৰ দ্বাৰা কৰা লাইভ পাঠদানৰ সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছে ।
- এই পাঠসমূহ জিঅ'টিভিৰ যোগেদিও সম্প্ৰচাৰ কৰা হৈছে ।
- শেহতীয়াকৈ 'জ্ঞানবৃক্ষ' ৰ শ্ৰেণীসমূহ ইউটিউব আৰু ফেচবুকৰ যোগেদি লাইভ সম্প্ৰচাৰৰ দিয়া কৰা হৈছে ।

☐ **বিশ্ববিদ্যা, অসম ইউটিউব চেনেলঃ**

ষষ্ঠ শ্ৰেণীৰপৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এই ইউটিউব চেনেল আৰম্ভ কৰা হৈছে । ইয়াত বিজ্ঞান, গণিত, ইংৰাজী, ব্যাকৰণ, শব্দ সম্ভাৰ আদিৰ ই-সমলসমূহ ৰখা হৈছে । ছাত্ৰ-ছাত্ৰীসকলে সহজতে এইবোৰ চাব পাৰে বা ডাউনলোড কৰি ল'ব পাৰে ।

তদুপৰি সময়ে সময়ে 'ৰেডিঅ' আৰু দূৰদৰ্শনযোগে দৃশ্য-শ্ৰাব্য পাঠৰ সম্প্ৰচাৰৰ ব্যৱস্থাও গ্ৰহণ কৰা হয়।

বিদ্যালয়ত যুথ আৰু ইক'ক্লাব (যুৱ আৰু পাৰিপাৰ্শ্বিক সংঘ) ৰ অধীনত কৰিবলগীয়া ক্ৰিয়াকলাপসমূহ

যুথ ক্লাবৰ ক্ৰিয়াকলাপ- স্কুলৰ সময়ৰ ভিতৰত খেল-ধেমালিৰ আয়োজন, পুথিভঁৰালৰ পাঠদানৰ ব্যৱস্থা, নৃত্য, গীত, নাট, মূকাভিনয়ৰ ব্যৱস্থা, কবিতা আবৃত্তি, চমু বক্তৃতা, আকস্মিক বক্তৃতা, চিত্ৰকলা অংকনৰ ব্যৱস্থা, ক'লাজ, তৰ্ক প্ৰতিযোগিতা, কুইজ, হস্তকলা (মাটি, কাগজ, বাঁহ, প্লাষ্টিক আদি সামগ্ৰীৰে), পেলনীয়া সামগ্ৰীৰে বস্তু নিৰ্মাণ, বিজ্ঞান প্ৰদৰ্শনী/গণিত প্ৰদৰ্শনী, শ্লোগান লিখন/ প'ষ্টাৰ লিখন/বাণী লিখন, ব্যায়াম, যোগাসন, কাৰিকৰী কৌশলৰ ওপৰত কৰ্মশালাৰ আয়োজন, শ্ৰেণীকোঠাৰ ৰূপসজ্জা গঢ়া ।

ইক'ক্লাবৰ ক্ৰিয়াকলাপ- ফুল, ফল শাক-পাচলিৰ বাগিচা তৈয়াৰ কৰাত সহযোগিতা কৰা, পৰিবেশ ৰক্ষাৰ সজাগতা অনুষ্ঠান, পাৰিপাৰ্শ্বিকতা ৰক্ষাৰ বাবে প্ৰকল্প, স্বাস্থ্য সজাগতা সভা/কেম্প, জলশক্তি সংৰক্ষণ সজাগতা আৰু প্ৰকল্পৰ অধীনত আৰ্হি প্ৰস্তুত, জলবায়ু সুৰক্ষা, দুৰ্যোগ সজাগতা আৰু ব্যৱস্থাপনা, বিদ্যালয়ত পুষ্টিকৰ আহাৰৰ ব্যৱস্থা, চাফাই অভিযানৰ জৰিয়তে সমাজ সেৱা, সময় সাপেক্ষে ৰাজহুৱা সভাৰ আয়োজন।

পাঠদান প্ৰক্ৰিয়াত তথ্য-যোগাযোগ প্ৰযুক্তি (ICT) ৰ ব্যৱহাৰ

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ অনুসৰি শিক্ষা হৈছে মূলতঃ জ্ঞান আৰু তথ্য আৰু সেই জ্ঞান পৰৱৰ্তী প্ৰজন্মলৈ আদান-প্ৰদান কৰোতে আই. চি. টিয়ে অনাগত বছৰবোৰত শিক্ষা ব্যৱস্থাত এক বিশেষ ভূমিকা পালন কৰিব। যিহেতু বিদ্যালয় শিক্ষাত আই. চি. টি. ৰ সম্ভাৱনা বৃদ্ধি পাইছে, সেইবাবে ২০২৪ চনৰ শৈক্ষিক বৰ্ষৰ পৰা কাৰ্যকৰী কৰাৰ বাবে ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণীৰ কাৰণে আই. চি. টি. বিষয়ৰ পাঠ্যপুথি প্ৰস্তুত কৰি উলিওৱা হৈছে। শিক্ষকে নিজৰ এনড্ৰ'য়ড ম'বাইল ফোনৰ লগতে বিদ্যালয়ত থকা আই চি টি আহিলাসমূহৰ জৰিয়তে বিষয়সমূহৰ পাঠদান মনোগ্ৰাহী কৰিব। প্ৰয়োজন সাপেক্ষে এনেধৰণৰ আহিলা বাহিৰৰপৰা আনিও ব্যৱহাৰ কৰিব পাৰে। ইয়াৰ উপৰি ক'ভিডৰ বাবে হোৱা দীৰ্ঘকালীন স্কুলবন্ধৰ সময়ত শিক্ষকসকলে পাঠ্যপুথিৰ বিষয়বস্তুৰ লগত জড়িত বিভিন্ন ধৰণৰ শৈক্ষিক অডিঅ'/ভিডিঅ' প্ৰস্তুত কৰি হোৱাটছএপযোগে প্ৰেৰণ কৰা পৰিলক্ষিত হৈছিল। সেই সমলসমূহ এতিয়াও শ্ৰেণীকোঠাত ব্যৱহাৰ কৰিব পাৰি।

যিবোৰ বিদ্যালয়ত চৰকাৰৰ ফালৰপৰা স্মাৰ্টক্লাছৰ বাবে স্মাৰ্টবৰ্ড, প্ৰজেক্টৰ আদি যোগান ধৰা হৈছে সেইবোৰ বিদ্যালয়ত সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে সুযোগ পোৱাকৈ সপ্তাহত এটা/দুটা পিৰিয়ডত শিক্ষকসকলে ওপৰোক্ত সমলসমূহ ব্যৱহাৰ কৰি নিজ নিজ বিষয়ৰ পাঠদান কৰিব পাৰে।

সংহত শিক্ষণ (Integrated Pedagogy)

শিক্ষাক অভিজ্ঞতাভিত্তিক, নমনীয়, উপভোগ্য আৰু শিক্ষাৰ্থীকেন্দ্ৰিক কৰি তুলিবলৈ ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ য়ে বিদ্যালয় শিক্ষাৰ বিভিন্ন বিষয়ৰ লগত খেল-ধেমালি, পুতলা প্ৰদৰ্শন আৰু কলা বিষয়ক দিশসমূহ অন্তৰ্ভুক্ত কৰি সংহত শিক্ষণ প্ৰণালীৰ উদ্ভাৱনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ সৰ্বাঙ্গীন বিকাশ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে।

কলা/শিল্প সংহত শিক্ষণ (Art Integrated Pedagogy)

ই হৈছে এক বিশিষ্ট পদ্ধতি যিয়ে বিদ্যালয়ৰ পাঠ্যক্ৰমৰ বিভিন্ন শৈক্ষিক বিষয়ৰ মাজেৰে পাঠদান আৰু শিক্ষণ প্ৰক্ৰিয়াত বিভিন্ন ধৰণৰ শিল্প, যেনে দৃশ্য কলা, সংগীত, নাটক আৰু নৃত্যক অন্তৰ্ভুক্ত কৰে। নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ত এই পদ্ধতি বিশেষভাৱে উল্লেখযোগ্য হৈ পৰে কাৰণ ইয়াৰ লক্ষ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ নিয়োজিতকৰণ, সৃষ্টিশীলতা, সমালোচনাত্মক চিন্তাধাৰা আৰু সামগ্ৰিক বিকাশত কলাক সঙ্গুলি হিচাপে ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ অভিজ্ঞতা বৃদ্ধি কৰা।

ক্ৰীড়া-সংহত শিক্ষণ (Sports Integrated Pedagogy)

ইয়াৰ অৰ্থ হ'ল খেলৰ জৰিয়তে বিভিন্ন বিষয়ৰ পাঠদান কৰা। ক্ৰীড়া সংহত শিক্ষণৰ ধাৰণাটো NEP ২০২০ নিৰ্দেশনা অনুসৰি প্ৰস্তুত কৰা হৈছে আৰু এই শিক্ষা নীতিয়ে শাৰীৰিক শিক্ষা আৰু ক্ৰীড়া বিদ্যালয় শিক্ষাৰ বুনিয়াদী পৰ্যায়ৰ পৰা মাধ্যমিক পৰ্যায়লৈকে বাধ্যতামূলক হ'ব লাগিব বুলি উল্লেখ কৰিছে। এই ধাৰণাটোৰ মূল উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সুস্বাস্থ্যক জীৱন-জোৱা মনোভাৱ হিচাপে গঢ়ি তোলা।

শিক্ষকৰ বাবে -

- শিক্ষকসকলৰ ক্ৰীড়া বিষয়বস্তুৰ বিষয়ে সঠিক জ্ঞান থাকিব লাগিব যিবোৰ পাঠদানত ব্যৱহাৰ কৰা হ'ব।
- শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক ক্ৰীড়াৰ প্ৰতি আগ্ৰহান্বিত কৰি তুলিবলৈ চেষ্টা কৰিব লাগিব।
- ছাত্ৰ-ছাত্ৰীসকলক ব্যৱহাৰিক অভিজ্ঞতা প্ৰদান কৰিবলৈ শ্ৰেণীকোঠাৰ বাহিৰত পাঠদান পৰিচালনাৰ ব্যৱস্থা কৰিব লাগে।
- শাৰীৰিক শিক্ষা আৰু ক্ৰীড়া শ্ৰেণীত শিক্ষকসকলে যিকোনো খেল/ক্ৰীড়া শিকোৱাৰ সময়ত অন্য বিষয়ৰ পৰা দক্ষতা সম্পৰ্কীয় বিষয়বস্তু সম্পৰ্কিত কৰিব লাগিব।

অমৃত বৃক্ষ আন্দোলন

২০২৩ ইং বৰ্ষৰ ৮ জুন তাৰিখে অসমৰ মুখ্যমন্ত্ৰী মাননীয় শ্ৰীযুত হিমন্ত বিশ্ব শৰ্মা দেৱৰ নিৰ্দেশনাত অসম চৰকাৰে অমৃত বৃক্ষ আন্দোলন নামেৰে এটি প্ৰকল্প আৰম্ভ কৰিছিল। এই প্ৰকল্পটোৰ জৰিয়তে ৰাজ্যখনৰ ভিতৰত এক সেউজীয়া আৰু পাৰিপাৰ্শ্বিকভাৱে বহনক্ষম পৰিৱেশ গঢ়ি তোলাৰ এক প্ৰচেষ্টা হাতত লোৱা হৈছিল। এই প্ৰচেষ্টাৰ মুখ্য উদ্দেশ্য আছিল এক কোটি গছপুলি ৰোপন কৰি অসমৰ প্ৰাকৃতিক পৰিৱেশক সমৃদ্ধিশালী কৰি তোলা আৰু এক শক্তিশালী গছকেন্দ্ৰিক অৰ্থনীতি গঢ়ি তোলা।

এই আন্দোলনটোৱে বিভিন্ন ধৰণৰ অংশগ্ৰহণকাৰীক সাঙুৰি লৈছিল। তাৰ ভিতৰত শিক্ষানুষ্ঠান আৰু অংগনবাড়ী কৰ্মীসকলকো সাঙুৰি লোৱা হৈছিল। সেইমৰ্মে অসমৰ বিদ্যালয়সমূহে অমৃত বৃক্ষ আন্দোলনৰ মোবাইল এপত নিজকে পঞ্জীয়ন কৰি লৈ জিঅ' টেগৰ সহায়ত গছপুলি ৰোপনৰ স্থিৰ-চিত্ৰ আপলোড কৰিছিল।

জীৱন কৌশল শিক্ষা (Life Skill Education)

জীৱন কৌশল শিক্ষা কাৰ্যসূচী মধ্যম (ষষ্ঠৰ পৰা অষ্টমলৈকে) আৰু মাধ্যমিক পৰ্যায়ত (নৱমৰ পৰা দ্বাদশ শ্ৰেণীলৈ) সমগ্ৰ অসমত ২০২১ চনৰ পৰা কন্যাৰ নামভৰ্তি থকা চৰকাৰী আৰু প্ৰাদেশিকৃত বিদ্যালয়ত চৰকাৰীভাৱে অনুষ্ঠিত হয়। সম্প্ৰতি ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে বিদ্যালয়সমূহত সপ্তাহত এবাৰ ক্ৰীড়া ভিত্তিক কাৰ্যসূচীৰে জীৱন কৌশল শিক্ষাৰ অধিবেশন অনুষ্ঠিত কৰিবলৈ সকলো জিলাৰ বিদ্যালয়লৈ নিৰ্দেশনা দিয়া হৈছে। এই কাৰ্যসূচীৰ উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলক নিত্য পৰিবৰ্তিত পৃথিৱীত লাভবান হ'বলৈ অত্যাৱশ্যকীয় জীৱন কৌশলৰ প্ৰয়োজনীয়তা আৰু দক্ষতা আহৰণ কৰা। জীৱন কৌশলে ফলপ্ৰসুভাৱে যোগাযোগ কৰি ব্যক্তিক জ্ঞাত সিদ্ধান্ত ল'বলৈ, আৰু আবেগ পৰিচালনা কৰি সমস্যা সমাধান কৰিবলৈ আৰু আনৰ সৈতে ইতিবাচকভাৱে যোগাযোগ কৰিবলৈ শক্তিশালী কৰি তোলে।

বিদ্যাঞ্জলি ঃ ২.০

বিদ্যাঞ্জলি ঃ ২.০ হ'ল ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ে চৰকাৰী বা চৰকাৰী সাহায্যপ্ৰাপ্ত বিদ্যালয়সমূহৰ সৈতে সমাজ আৰু ব্যক্তিগত খণ্ডৰ অনুষ্ঠান-প্ৰতিষ্ঠানক প্ৰত্যক্ষভাৱে জড়িত কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা এক পদক্ষেপ। চৰকাৰী বিদ্যালয়সমূহক সমাজ আৰু ব্যক্তিগত অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহায়-সহযোগ/দান-বৰঙণিৰে সবল কৰাৰ অৰ্থে চৰকাৰে এই আঁচনি মুকলি কৰিছে। অৰ্থাৎ এই আঁচনিয়ে চৰকাৰী বিদ্যালয়ৰ শিক্ষাৰ মান উন্নত কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাবলৈ সকলোকে এক মঞ্চ প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে। এই আঁচনিৰ সফল ৰূপায়ণৰ বাবে চৰকাৰে '**বিদ্যাঞ্জলি ঃ ২.০**' নামেৰে এটা প'ৰ্টেল প্ৰস্তুত কৰি উলিয়াইছে।

এই প'ৰ্টেলত বিদ্যালয়সমূহে নিজৰ নাম পঞ্জীয়ন কৰাৰ লগতে তেওঁলোকক প্ৰয়োজন হোৱা বিভিন্ন সামগ্ৰী, সা-সঁজুলি, সেৱা আদিৰ তথ্য দাঙি ধৰিব পাৰে। আনহাতে, কেচৰকাৰী সংস্থা, ব্যক্তিগত খণ্ডৰ অনুষ্ঠান, ব্যক্তি আদিয়ে প'ৰ্টেলটোত নিজকে স্বেচ্ছাসেৱী হিচাপে পঞ্জীয়ন কৰি নিজৰ ইচ্ছানুসৰি যিকোনো বিদ্যালয়লৈ বিভিন্ন সামগ্ৰী /সা-সঁজুলি /অন্যান্য সেৱা বৰঙণি হিচাপে আগবঢ়াব পাৰে।

বিদ্যালয় তত্ত্বাৱধান কাৰ্যক্ৰম (School Mentoring Programme)

ৰাষ্ট্ৰীয় আবিষ্কাৰ অভিযানৰ জৰিয়তে বিজ্ঞান আৰু গণিতৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ দ্বাৰা বিদ্যালয়সমূহৰ তত্ত্বাৱধান (mentoring)ৰ কাৰ্যসূচী হাতত লোৱা হৈছে। এই কাৰ্যসূচীৰ অধীনত প্ৰতিখন জিলাৰ ১০০ খন উচ্চ-প্ৰাথমিক আৰু সংযুক্ত বিদ্যালয়ক ৰাজ্যখনৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ একোখন উচ্চশিক্ষাৰ প্ৰতিষ্ঠান যেনে- বিশ্ববিদ্যালয়, মহাবিদ্যালয়, আই আই টি - গুৱাহাটী, এন আই টি -শিলচৰ, শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান, আই এ এছ টি (IAST) আদিৰ লগত সাঙুৰি দিয়া হৈছে। এই উচ্চশিক্ষাৰ প্ৰতিষ্ঠানসমূহে তেওঁলোকৰ অধীনত থকা বিদ্যালয়সমূহত বিজ্ঞান আৰু গণিত শিক্ষাৰ বিকাশৰ বাবে বিভিন্ন ধৰণৰ আলোচনা চক্ৰ, প্ৰদৰ্শনী আদিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক এই বিষয় দুটাৰ প্ৰতি আগ্ৰহী কৰিবলৈ চেষ্টা কৰিব। তদুপৰি এই প্ৰতিষ্ঠানসমূহে বিজ্ঞান আৰু গণিতৰ শিক্ষকৰ গোট গঠন কৰি বিদ্যালয়সমূহত শিক্ষণ-শিকন প্ৰক্ৰিয়া ফলপ্ৰসূ কৰিবলৈ চেষ্টা কৰিব।

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

মাহভিত্তিক শৈক্ষিক দিনপঞ্জী

এপ্ৰিল ২০২৪

সোম	মঙ্গল	বুধ	বৃহস্পতি	শুক্ৰ	শনি	ৰবি
